**2 0 2 1**

( Held in 2022 )

# PHILOSOPHY

Paper : PHI–HC–5016

**( Analytic Philosophy )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

নিৰ্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* Moore is an idealist/realist philosopher.

(Choose the correct answer)

মূৰ এজন ভাৱবাদী/বাস্তৱবাদী দাৰ্শনিক।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(b) Moore did not draw any distinction between consciousness and the object of consciousness.

(Write True or False)

মূৰে চেতনা আৰু চেতনাৰ বিষয়বস্তুৰ মাজত কোনো পাৰ্থক্য নিৰ্ণয় কৰা নাছিল।

(সত্য নে অসত্য লিখা)

(c) According to Russell, a proposition is a simple symbol/complex symbol.

(Choose the correct answer)

ৰাছেলৰ মতে, এটা বচন সৰল প্ৰতীক/জটিল প্ৰতীক।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(d) Russell delivered the lecture entitled 'Descriptions and Incomplete Symbols' in the year 1918/1924.

(Choose the correct answer)

ৰাছেলে 'Descriptions and Incomplete Symbols' শীৰ্ষক বক্তৃতাটো ১৯১৮/১৯২৪ চনত প্ৰদান কৰিছিল।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(e) According to Wittgenstein, the world is the totality of things/facts.

(Choose the correct answer)

উইট্‌গেইনষ্টাইনৰ মতে, জগতখন বস্তু/তথ্য (fact)ৰ সমষ্টি।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(f) "Language is an instrument." This statement of Wittgenstein is associated with his book *Tractatus Logico-Philosophicus*/ *Philosophical Investigations*.

(Choose the correct answer)

"ভাষা এক আহিলা।" উইট্‌গেইনষ্টাইনৰ এই বিবৃতিটো তেওঁৰ *Tractatus Logico-Philosophicus*/ *Philosophical Investigations*ৰ সৈতে জড়িত।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(g) According to Wittgenstein, a name refers to a fact. Is it true?

উইট্‌গেইনষ্টাইনৰ মতে, এটা নামে তথ্য (fact)ক সূচায়। এইটো সত্যনে?

(h) Name one analytic philosopher who gave utmost importance on the logical form of a proposition.

বচনৰ তৰ্কীয় আকাৰ সম্পৰ্কে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা এজন বিশ্লেষণাত্মক দাৰ্শনিকৰ নাম লিখা।

(i) "A fact is neither true nor false." Is this statement true according to Russell?

"এটা তথ্য (fact) সত্য অথবা অসত্য কোনোটোৱেই নহয়।" ৰাছেলৰ মতে এই বিবৃতিটো সত্যনে?

(j) Give one example of a molecular proposition.

আণৱিক বচন এটাৰ উদাহৰণ দিয়া।

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) State two differences between atomic proposition and molecular proposition.

পাৰমাণৱিক বচন আৰু আণৱিক বচনৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(b) What are the differences between sensation of blue and sensation of green according to Moore?

মূৰৰ মতে নীলা ৰঙৰ সংবেদন আৰু সেউজীয়া ৰঙৰ সংবেদনৰ মাজত কি কি পাৰ্থক্য আছে, লিখা।

(c) "When I say, for instance, 'All Greeks are men', I do not want you to suppose that implies that there are Greeks."

What does Russell mean by these words?

"যেতিয়া মই উদাহৰণস্বৰূপে কওঁ যে 'সকলো গ্ৰীক হয় মানুহ', ইয়াৰ দ্বাৰা মই তোমাক এইটো ধৰি লোৱাটো নিবিচাৰো যে উদাহৰণটোৱে গ্ৰীকসকল আছে কথাটো সূচাইছে।"

কথাখিনিৰ জৰিয়তে ৰাছেলে কি বুজাবলৈ বিচাৰিছে?

(d) How many sorts of descriptions are there according to Russell? What are these?

ৰাছেলৰ মতে বিৱৰণৰ প্ৰকাৰ কেইটা? সেইবোৰ কি কি?

(e) Why do logical positivists try to eliminate metaphysics from the domain of philosophy? Give reasons.

তৰ্কীয় প্ৰত্যক্ষবাদীসকলে অধিবিদ্যাক কিয় দৰ্শনৰ ক্ষেত্ৰখনৰ পৰা অপসাৰণ কৰিবলৈ চেষ্টা কৰে? কাৰণ দৰ্শোৱা।

**3.** Answer the following questions (any *four*) : 5×4=20

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Why did Moore revolt against idealism?

মূৰে কিয় ভাৱবাদৰ বিৰুদ্ধে বিদ্ৰোহ সূচনা কৰিছিল?

(b) Why did Russell consider 'The author of Waverley' as an incomplete symbol? Give reasons.

ৰাছেলে 'The author of Waverley'ক কিয় অসম্পূৰ্ণ প্ৰতীক বুলি গণ্য কৰিছে? কাৰণ দৰ্শোৱা।

(c) Why did Russell consider 'Romulus' not as a name, but as a sort of truncated descriptions? Give reasons.

ৰাছেলে কিয় 'Romulus'ক এটা নাম হিচাপে নহয়, এটা সংক্ষিপ্ত বিৱৰণ হিচাপেহে গণ্য কৰিছে? কাৰণ দৰ্শোৱা।

(d) How does a proposition picture reality according to Wittgenstein? Discuss.

উইট্‌গেইনষ্টাইনৰ মতে এটা বচনে কেনেদৰে সত্তাক চিত্ৰায়িত কৰে? আলোচনা কৰা।

(e) Write a short note on 'Family Resemblance'.

'পাৰিবাৰিক সাদৃশ্য' সম্পৰ্কে এটি চমু টোকা লিখা।

(f) What is Vienna circle? How do the logical positivists attempt to prove that metaphysics is not verifiable?

ভিয়েনা চক্ৰ কি? তৰ্কীয় প্ৰত্যক্ষবাদীসকলে অধিবিদ্যা প্ৰতিপাদনসাধ্য নহয় বুলি কেনেদৰে সাব্যস্ত কৰিব বিচাৰে?

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) How does Moore refute idealism through his paper entitled *Refutation of Idealism*? Discuss. 10

মূৰে তেওঁৰ 'Refutation of Idealism' শীৰ্ষক প্ৰবন্ধৰ জৰিয়তে কেনেদৰে ভাৱবাদক খণ্ডন কৰিছিল? আলোচনা কৰা।

*Or / অথবা*

Elucidate various characteristics of Analytic Philosophy.

বিশ্লেষণাত্মক দৰ্শনৰ বিভিন্ন বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(b) What is logical atomism? Why does Russell consider his atomism as logical? How is fact connected to logical atomism? Discuss. 2+2+6=10

তৰ্কীয় পৰমাণুবাদ কি? ৰাছেলে তেওঁৰ পৰমাণুবাদক কিয় তৰ্কীয় আখ্যা দিছে? তথ্য (fact)ৰ সৈতে তৰ্কীয় পৰমাণুবাদৰ সম্পৰ্ক কি? আলোচনা কৰা।

*Or / অথবা*

Write a summary of Russell's lecture on 'General Propositions and Existence'. 10

ৰাছেলৰ 'সাধাৰণ বচন আৰু অস্তিত্ব' শীৰ্ষক বক্তৃতাটোৰ এটা সাৰাংশ আগবঢ়োৱা।

(c) Discuss the relation between meaning and use after Wittgenstein. 10

উইট্‌গেইনষ্টাইনক অনুসৰণ কৰি অৰ্থ আৰু প্ৰয়োগৰ মাজত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

Why does Wittgenstein emphasize on the multiplicity of language game in his book, *Philosophical Investigations*? Elaborate.

উইট্‌গেইনষ্টাইনে তেওঁৰ *Philosophical Investigations* নামৰ গ্ৰন্থখনত ভাষা-ক্ৰীড়াৰ বহুত্বক কিয় গুৰুত্ব আৰোপ কৰিছে? বহলাই আলোচনা কৰা।

(*d*) Discuss Wittgenstein's Private Language Argument. 10

উইট্‌গেইনষ্টাইনৰ ব্যক্তিগত ভাষাৰ যুক্তিটো আলোচনা কৰা।

*Or / অথবা*

What are the similarities and dissimilarities between early Wittgenstein and later Wittgenstein with regard to language? Explain.

ভাষা সম্পৰ্কত প্ৰাক্-উইট্‌গেইনষ্টাইন আৰু উত্তৰ-উইট্‌গেইনষ্টাইনৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ কি কি? ব্যাখ্যা কৰা।

★★★